# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2026
**Time :** 1340 HRS.

*Assamese Midday Bulletin*

## HEADLINES

১। ভাৰতৰ যিকোনো নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে আটাইতকৈ বেছি দিন ক্ষমতাত থকা নেতাৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ৰাজনীতিত অভিলেখ স্পৰ্শ কৰিছে।

২। অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ মাজত তৎপৰতা বৃদ্ধি হৈছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বিহাৰবাসীক শুভেচ্ছা জনাইছে।

*আৰু*

৪। ৰাছিয়াৰ পৰা খাৰুৱা তেল লৈ একুৰা টাইটান নামৰ জাহাজখন আজি কৰ্ণাটকৰ মাংগালুৰুত উপস্থিত হয়।

oooooo

ভাৰতৰ যিকোনো নিৰ্বাচিত চৰকাৰৰ মুৰব্বী হিচাপে আটাইতকৈ বেছি দিন ক্ষমতাত থকা নেতাৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ৰাজনীতিত অভিলেখ স্পৰ্শ কৰিছে। ইয়াৰ জৰিয়তে শ্ৰীমোদীয়ে ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে ৮ হাজাৰ ৯৩০ দিন ক্ষমতাত থকা পৱন কুমাৰ ছামলিঙক অতিক্ৰম কৰে। শ্ৰীমোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী হিচাপে ৮ হাজাৰ ৯৩১ দিন সম্পূৰ্ণ কৰে। তেওঁ ইয়াৰ জৰিয়তে নেতৃত্বৰ ভূমিকাত ২৫ বছৰত পদাৰ্পন কৰিলে। এই অভিলেখ স্বাভাৱিকতে বিৰল আৰু গুৰুত্বপূৰ্ণ সাফল্য হিচাপে বিবেচিত হৈছে। নিজৰ ৰাজনৈতিক জীৱনৰ পৰিক্ৰমাত নৰেন্দ্ৰ মোদীয়ে কেইবাটাও স্মৰণীয় অভিলেখ স্পৰ্শ কৰিছে। তেওঁ আছিল গুজৰাটৰ আটাইতকৈ বেছি দিন ক্ষমতাত থকা মুখ্যমন্ত্ৰী আৰু লগতে তেওঁ হৈছে মুখ্যমন্ত্ৰী হিচাপে দীৰ্ঘদিনৰ অভিজ্ঞতা থকা প্ৰধানমন্ত্ৰী। তেওঁ হৈছে, স্বাধীনতাৰ পাছত জন্মগ্ৰহণ কৰা দেশৰ প্ৰথমজন প্ৰধানমন্ত্ৰী। তেওঁ ২০১৪, ২০১৯ আৰু ২০২৪ চনত একেৰাহে তিনিটা লোকসভা নিৰ্বাচনত জয়ী হৈছিল। শ্ৰীমোদীক ২০০১ চনৰ ৭ অক্টোবৰত প্ৰথমবাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী হৈছিল আৰু প্ৰধানমন্ত্ৰী দায়িত্ব গ্ৰহণৰ সময়লৈকে অৰ্থাৎ ২০১৪ চনৰ ২১ মে' পৰ্যন্ত তেওঁ সেই পদত আছিল। তেওঁ ৰাষ্ট্ৰীয় ৰাজনীতিলৈ অহাৰ পূৰ্বে ১৩ বছৰৰো অধিক কাল ৰাজ্যখনক নেতৃত্ব দিছিল। লোকসভাত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি প্ৰথমগৰাকী অ-কংগ্ৰেছ নেতা হিচাপে শ্ৰীমোদী ২০১৪ চনৰ ২৬ মে'ত ভাৰতৰ চতুৰ্দশ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছিল। পাছত তেওঁ প্ৰধানমন্ত্ৰী হিচাপে দুটা কাৰ্যকাল সম্পূৰ্ণ কৰা প্ৰথমগৰাকী অ-কংগ্ৰেছ নেতা হিচাপে পৰিগণিত হয় আৰু প্ৰত্যাশিতভাৱেই তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হয়।

ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে চলিত বছৰত আন কেইবাটাও ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অভিলেখ গঢ়ে। চলিত মাহৰ আৰম্ভণিতে তেওঁৰ ইউটিউব চেনেলত ৩ কোটি ছাবস্ক্ৰাইবাৰ হয়। ইয়াৰ জৰিয়তে তেওঁ সামাজিক মঞ্চত

বিশ্বৰ অন্যতম আটাইতকৈ বেছি অনুৰাগী থকা নেতা হিচাপে পৰিগণিত হয়। চলিত বছৰৰ ফেব্ৰুৱাৰীত তেওঁৰ ইনষ্টাগ্ৰামৰ অনুৰাগীৰ সংখ্যাই ১০ কোটি অতিক্ৰম কৰে। এই ক্ষেত্ৰত তেওঁ বিশ্বৰ প্ৰথমগৰাকী নেতা তথা ৰাজনৈতিক হিচাপে পৰিগণিত হৈছে। বৰ্তমান এক্স হেণ্ডেলত প্ৰধানমন্ত্ৰী মোদীৰ ১০ কোটি ৬০ লাখ ৪০ হাজাৰ অনুগামী আছে।

oooooo

অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ মাজত তৎপৰতা বৃদ্ধি হৈছে। দলসমূহৰ প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান চলাই থকাৰ লগতে মনোনয়ন দাখিল প্ৰক্ৰিয়াও অব্যাহত ৰাখিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। অন্তিম দিনা এন ডি এৰ লগতে কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলৰ কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব।

ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত ইতিমধ্যে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

বিজেপিয়ে কাইলৈৰ পৰা ৰাজ্যজুৰি প্ৰচাৰ অভিযান চলাব বুলি মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কংগ্ৰেছৰ নেতা গৌৰৱ গগৈয়ে কালি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী জৌশ্ৰাং ব্ৰহ্ময়ো সমষ্টিটোৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ সময়ত বি টি আৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী ঘণশ্যাম দাস আৰু দলৰ শীৰ্ষ নেতা দয়াল শৰণীয়া উপস্থিত থাকে।

oooooo

কেৰালাত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ সময়সীমাৰ কাইলৈ সামৰণি পৰিব। ৰাজ্য বিধানসভাৰ মুঠ ১৪০টা সমষ্টিৰ বাবে সংশ্লিষ্ট প্ৰাৰ্থীসকল সম্প্ৰতি তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিলৰ লগতে আৰম্ভণিৰ পৰ্যায়ৰ প্ৰচাৰ অভিযানত ব্যস্ত হৈ পৰিছে। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৰাজ্যখনত অহা ৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব আৰু ৪ মে'ত ভোট গণনা সম্পন্ন হ'ব।

ইতিমধ্যে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। সকলো ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলৰ নেতৃত্বত আৰম্ভ হোৱা এনে প্ৰচাৰ অভিযানৰ মাজতে প্ৰাৰ্থীসকলে তেওঁলোকৰ সক্ৰিয় অভিযানৰ অংশ হিচাপে ভোটদাতাসকলকো গাইগুটীয়াভাৱে সাক্ষাৎ কৰিছে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বিহাৰবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বিহাৰক বিশ্বৰ প্ৰথম গণৰাজ্য হিচাপে অভিহিত কৰি কয়, যে ৰাজ্যখন প্ৰখ্যাত ৰজা মহাৰজাৰ জন্মস্থান হোৱাৰ লগতে সাংস্কৃতিক আৰু আধ্যাত্মিক পৰম্পৰাৰ কেন্দ্ৰ হিচাপে পৰিচিত হৈ আহিছে। তেওঁ ভাৰতৰ বিভিন্ন ক্ষেত্ৰলৈ ৰাজ্যখনৰ অৱদানত আলোকপাত কৰে। তেওঁ লগতে আশা প্ৰকাশ কৰে যে, ৰাজ্যখনৰ জনসাধাৰণে তেওঁলোকৰ অফুৰন্ত প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে বিহাৰৰ লগতে সমগ্ৰ দেশৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে এই ঐতিহাসিক ভূমি তথা জ্ঞান আৰু সংস্কৃতিৰে মহিমামণ্ডিত ৰাজ্যখনে দেশৰ প্ৰগতিত অমূল্য অৱদান আগবঢ়াই আহিছে। বিকাশ আৰু সমৃদ্ধিৰ পথত ৰাজ্যখনৰ গতি অব্যাহত থাকিব বুলি আশা কৰি তেওঁ কয়, যে ৰাজ্যৱাসীয়ে আনন্দ আৰু শান্তিৰ বাতাবৰণেৰে বিশেষ বাৰ্তা দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ঐতিহ্যলৈ অনন্য অৱদান যোগোৱা বিহাৰে প্ৰগতিৰ নতুন অধ্যায় ৰচনা কৰাতো অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে দৃঢ়তা প্ৰকাশ কৰি কয়, যে ৰাজ্যখনৰ বাসিন্দাসকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমে বিকশিত ভাৰতৰ লগতে এখন উন্নত বিহাৰ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।

ooooo

ৰাছিয়াৰ পৰা খাৰুৱা তেল লৈ একুৱা টাইটান নামৰ জাহাজখন আজি কৰ্ণাটকৰ মাংগালুৰুত উপস্থিত হয়। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাছিয়াৰ পৰা খাৰুৱা তেল অনাৰ ক্ষেত্ৰত সন্মতি দিয়াৰ পাছতে এই জাহাজখন ভাৰত অভিমুখে আহিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ পৰা জুলিয়া পেট্ৰ'লিয়াম গেছ, এল পি জি কঢ়িয়াই অনা পাইক্সিছ পায়নিয়াৰ নামৰ বাণিজ্যিক জাহাজখনো মাংগালুৰু বন্দৰত প্ৰৱেশ কৰিছে। ইয়াৰ পূৰ্বে এল পি জি কঢ়িয়াই অনা ভাৰতৰ পতাকাবাহী নন্দা দেৱী নামৰ জাহাজখন গুজৰাটৰ ভাদিনাৰ বন্দৰত উপস্থিত হৈছিলহি। নন্দা দেৱীৰ পূৰ্বে এল পি জি পৰিবাহী জাহাজ শিৱালিকো গুজৰাটৰ মুন্দ্ৰা বন্দৰত প্ৰৱেশ কৰিছিল।

oooooo

ছুডানৰ সেনাই দেশখনৰ এখন চিকিৎসালয়ত সংঘটিত আক্ৰমণৰ ঘটনাত জড়িত থকাৰ অভিযোগ অস্বীকাৰ কৰিছে। যোৱা শুকুৰবাৰে ছুডানৰ অল-ডেইনত অৱস্থিত অল-ডেইন Teaching Hospitalত সংঘটিত এই ভয়ংকৰ আক্ৰমণত ১৩টি শিশুকে ধৰি ৬৪ গৰাকীতকৈও অধিক লোক নিহত হয়। বিশ্ব স্বাস্থ্য সংস্থাই সামাজিক মাধ্যমৰ মঞ্চত এই ঘটনাৰ বিষয়টো নিশ্চিত কৰিছে। সংস্থাটোৰ সঞ্চালকপ্ৰধান টেড্ৰছ এধানম ঘেব্ৰেয়েছুছে প্ৰকাশ কৰা মতে শুকুৰবাৰৰ এই আক্ৰমণৰ ঘটনাটোত বহুকেইগৰাকী ৰোগীৰ লগতে দুগৰাকী মহিলা নাৰ্ছ আৰু এজন পুৰুষ চিকিৎসকেও প্ৰাণ হেৰুৱায়।

উল্লেখযোগ্য যে ছুডানত ২০২৩ বৰ্ষত আৰম্ভ হোৱা ক্ষমতাকেন্দ্ৰিক সংঘাতৰ ফলত দেশখনৰ সেনাবাহিনী আৰু অৰ্ধসামৰিক বাহিনী Rapid Support Forces চমুকৈ RSF পৰস্পৰৰ বিৰুদ্ধে আক্ৰমণ আৰু প্ৰত্যাক্ৰমণত লিপ্ত হৈ আহিছে। এনে পৰিস্থিতিত শুকুৰবাৰে সংঘটিত চিকিৎসালয়ত আক্ৰমণৰ ঘটনাটোৰ বাবে RSF-এ সেনাবাহিনীক জগৰীয়া কৰিছিল যদিও সেনাই এই অভিযোগ অস্বীকাৰ কৰে।

oooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ বাণিজ্যিক ৰন্ধন গেছৰ অতিৰিক্ত ২০ শতাংশ আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ইয়াকে লৈ সামগ্ৰিক আৱণ্টন ৫০ শতাংশলৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত পাইপ যোগে ৰন্ধন গেছৰ যোগান ব্যৱস্থাৰ সম্প্ৰসাৰণৰ বাবে গ্ৰহণ কৰা সুচল সংস্কাৰৰ ভিত্তিত দিয়া ১০ শতাংশ আৱণ্টনো আছে। এই

অতিৰিক্ত আৱণ্টন ৰেস্তোৰা, ধাবা, হোটেল, ঔদ্যোগিক কেণ্টিন, দুগ্ধ উৎপাদন প্ৰতিষ্ঠান, ৰাজসাহায্যযুক্ত কেণ্টিন আৰু ৰাজ্যিক বা স্থানীয় সংস্থাৰ দ্বাৰা পৰিচালিত অন্যান্য খণ্ডক অগ্ৰাধিকাৰ দিয়া হ'ব। চৰকাৰে পেট্ৰল, ডিজেল আৰু এল পি জিৰ অভাৱ নহয় বুলি নাগৰিকক আশ্বাস দিছে। পেট্ৰলিয়াম আৰু গেছ মন্ত্ৰালয়ে এটা বিবৃতিযোগে শোধনাগাৰসমূহত ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

oooooo

যোৰাবাৰৰ চেম্পিয়ন অনাহত সিঙে যোৰা নিশা মুম্বাইত অনুষ্ঠিত ইণ্ডিয়ান অ'পেন পি এছ এ স্কোৱাচ প্ৰতিযোগিতাৰ চেমিফাইনেলত সতীৰ্থ খেলুৱৈ তন্‌ভি খান্নাক ৩-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। অনাহত ফাইনেলত ইজিপ্তৰ হানা ম'অতাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, পুৰুষৰ ছিংগলছত ভাৰতৰ বীৰ চোটৰাণীয়ে কালি মালয়েছিয়াৰ সঞ্জয় জিভাক ৩-১ ফলাফলত পৰাভূত কৰে। বীৰ ফাইনেলত ভাৰতৰ আন এগৰাকী খেলুৱৈ অভয় সিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অভয় সিঙে কালি মালয়েছিয়াৰ অমিশ্বেনৰাজ চন্দ্ৰনক ৩-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

oooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআয়ে অহা জুন মাহত আয়াৰলেণ্ডত হ'বলগীয়া দুখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দলৰ ভ্ৰমণসূচী ঘোষণা কৰিছে। ভাৰত ২৬ জুনত বেলফাষ্টত প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৮ জুনত একেটা স্থান অনুষ্ঠিত হ'ব।

oooooo

**সমাপ্ত**